**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI

**Date :** 01-05-2025 **Time :** 0705 Hrs.

***Assamese Morn. Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় চৰকাৰে পৰৱৰ্তী লোকপিয়লত জাতিগত গণনা অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি তথ্য যোগাযোগ প্ৰযুক্তি আধাৰিত বহুপাক্ষিক মঞ্চ 'প্ৰগতি'ৰ ৪৬ সংখ্যক বৈঠক অনুষ্ঠিত হয়।

৩। ভাৰতে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত পাকিস্তানী বিমান পৰিবহণ কোম্পানীৰ বাবে নিজৰ আকাশমাৰ্গ বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৪। মুম্বাইত আজিৰেপৰা প্ৰথম বিশ্ব দৃশ্য-শ্ৰাব্য মনোৰঞ্জন সন্মিলন অনুষ্ঠিত হ'ব।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা পাঞ্জাব কিংছে চেন্নাই ছুপাৰ কিংছক ৪ উইকেটত পৰাস্ত কৰে।

ooooooo

কেন্দ্ৰীয় চৰকাৰে পৰৱৰ্তী লোকপিয়লত জাতিগত গণনা অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ ৰাজনৈতিক পৰিক্ৰমা বিষয়ক কমিটীয়ে এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি নতুন দিল্লীত সাংবাদিকক এই সিদ্ধান্তৰ বিষয়ে অৱগত কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে দেশৰ সামাজিক গাঁথনি যাতে বিঘ্নিত নহয় সেই কথা বিবেচনা কৰি জৰীপৰ পৰিৱৰ্তে লোকপিয়লত জাতিগত গণনা অন্তৰ্ভুক্ত কৰা উচিত। এনে গণনাই সমাজৰ আৰ্থ-সামাজিক পৰিকাঠামো সুদৃঢ় কৰিব আৰু ৰাষ্ট্ৰৰ প্ৰগতি অব্যাহত থাকিব বুলি শ্ৰীবৈষ্ণৱে উল্লেখ কৰে।

বিৰোধী কংগ্ৰেছ দলক সমালোচনা কৰি শ্ৰী বৈষ্ণৱে কয়, যে বিৰোধী দল শাসিত চৰকাৰসমূহে সদায় জাতিগত পিয়লৰ বিৰোধিতা কৰি আহিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে ২০১০ চনত তদানীন্তন প্ৰধানমন্ত্ৰী প্ৰয়াত ডº মনমোহন সিঙে মন্ত্ৰীসভাত জাতিগত পিয়লৰ বিষয়ে বিবেচনা কৰা হ'ব বুলি লোকসভাত আশ্বাস দিছিল আৰু বিষয়টো চালি-জাৰি চোৱাৰ বাবে এটা মন্ত্ৰীগোট গঠন কৰা হৈছিল। অধিকাংশ ৰাজনৈতিক দলে জাতিগত পিয়লৰ পৰামৰ্শ আগবঢ়োৱা সত্বেও কংগ্ৰেছ চৰকাৰে জাতিগত পিয়লৰ পৰিৱৰ্তে অকল জৰীপ চলোৱাৰহে সিদ্ধান্ত গ্ৰহণ কৰিছিল বুলি শ্ৰী বৈষ্ণৱে উল্লেখ কৰে। তেওঁ লগতে কংগ্ৰেছ আৰু ইয়াৰ মিত্ৰ দলসমূহে জাতিগত পিয়লৰ বিষয়টো অকল ৰাজনৈতিক আহিলা হিচাপে ব্যৱহাৰ কৰি আহিছে বুলি অভিযোগ তোলে।

সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্ত্ৰীসভাৰ অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কমিটীয়ে ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয়সাপেক্ষে মেঘালয়ৰ শ্বিলঙৰ সমীপৰ মাইলংখুঙৰ পৰা শিলচৰৰ ওচৰৰ পঞ্চগ্ৰামলৈ এটা দ্ৰুত গতিসম্পন্ন কৰিড'ৰ নিৰ্মাণৰ প্ৰস্তাৱত অনুমোদন জনোৱা বুলি প্ৰকাশ কৰে। তেওঁ কয় যে এই প্ৰকল্পই উত্তৰ পূৰ্বাঞ্চলৰ আমূল পৰিৱৰ্তন সাধন কৰিব। মন্ত্ৰীগৰকীয়ে কয় যে এই পথটোৰ দৈৰ্ঘ্য ১৬৬ কিলোমিটাৰৰো অধিক হ'ব আৰু পথটোৱে ত্ৰিপুৰা, মিজোৰাম, মণিপুৰ আৰু বৰাক উপত্যকাৰ সৈতে যোগাযোগ

ব্যৱস্থা সুদৃঢ় কৰি তুলিব। আন্তঃগাঁথনি উন্নয়নৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ এই প্ৰকল্পটোৱে গুৱাহাটী, শ্বিলং আৰু শিলচৰৰ মাজত আন্তঃচহৰ যোগাযোগ ব্যৱস্থাৰ উন্নয়ন সাধন কৰিব আৰু ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যান-জঁট হ্ৰাস কৰাত সহায় কৰিব।

কাম সম্পূৰ্ণ হৈ উঠাৰ পাছত এই প্ৰকল্পটোৱে অসম, মেঘালয়, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ আৰ্থ-সামাজিক উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

মন্ত্ৰীসভাৰ অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কমিটীয়ে লগতে ২০২৫-২৬ বৰ্ষৰ বাবে প্ৰতি কুইণ্টল কুঁহিয়াৰৰ উচিত আৰু লাভজনক মূল্য ৩৫৫ টকা ধাৰ্য কৰাৰ প্ৰস্তাৱত অনুমোদন দিছে বুলি শ্ৰী বৈষ্ণৱে উল্লেখ কৰে। তেওঁ কয়, যে এই সিদ্ধান্তই কুঁহিয়াৰ খেতিয়কসকলৰ উপৰি চেনিকল আৰু আনুসংগিক কাম-কাজত নিয়োজিত ৫ লাখ শ্ৰমিকক উপকৃত কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৰাজনৈতিক পৰিক্ৰমা কমিটীয়ে জাতিগত পিয়লৰ সিদ্ধান্তত অনুমোদন জনাইছে বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কালি মুম্বাইত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত এই বিষয়ে কয়। তেওঁ কয়, যে সকলো শ্ৰেণীৰ লোকৰ অৰ্থনৈতিক তথা সামাজিক স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি সম্পূৰ্ণ স্বচ্ছভাৱে এই পিয়ল কৰোৱা হ'ব। তেওঁ লগতে কয়, যে বিৰোধী মিত্ৰজোঁটৰ এটা জাতিয়ে এই জাতিগত পিয়লৰ কৃতিত্ব দাবী কৰিছে যদিও প্ৰকৃততে ই হৈছে দেশৰ স্বাৰ্থৰ হকে চৰকাৰে গ্ৰহণ কৰা এটা সিদ্ধান্ত। অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীৰ লোকসকলৰ বাবে ইয়াৰ পূৰ্বেও মোদী চৰকাৰে ১০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰিছিল। কেন্দ্ৰত বহু বছৰ ধৰি কংগ্ৰেছ চৰকাৰ ক্ষমতাত থকাৰ সময়ত জাতিগত পিয়ল কিয় কৰোৱা হোৱা নাছিল বুলিও তেওঁ প্ৰশ্ন উত্থাপন কৰে। শ্ৰী চৌহানে লগতে কংগ্ৰেছে কাকা কালেলকাৰ আয়োগৰ প্ৰতিবেদন গাপ দিয়া, ইন্দিৰা গান্ধীয়ে মণ্ডল আয়োগৰ বিৰোধিতা কৰা আৰু সেই সময়ৰ গৃহমন্ত্ৰী গিয়ানী জেইল সিঙে জাতিগত পিয়লৰ দাবী প্ৰত্যাখান কৰাকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত মুকলিভাৱে মত প্ৰকাশ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি তথ্য যোগাযোগ প্ৰযুক্তি আধাৰিত বহুপাক্ষিক মঞ্চ 'প্ৰগতি'ৰ ৪৬ সংখ্যক বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৩টা পথ প্ৰকল্প, দুটাকৈ ৰে'ল আৰু বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ প্ৰকল্পকে ধৰি মুঠ ৮টা গুৰুত্বপূৰ্ণ প্ৰকল্পৰ পৰ্যালোচনা চলোৱা হয়। বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ এই প্ৰকল্পসমূহৰ বাবদ প্ৰায় ৯০ হাজাৰ কোটি টকা ব্যয় হ'ব। বৈঠকত শ্ৰী মোদীয়ে সকলো মন্ত্ৰালয় আৰু বিভাগক বায়'মেট্ৰিক আধাৰিত আধাৰ প্ৰমাণিকৰণ অথবা সত্যাসত্য নিৰূপণৰ জৰিয়তে হিতাধিকাৰীসকলক চিনাক্ত কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ সৈতে অতিৰিক্ত কাৰ্যসূচীক অন্তৰ্ভুক্ত কৰাৰ সম্ভাৱনাৰ অন্বেষণ কৰিবলৈও আহ্বান জনায়।

প্ৰধানমন্ত্ৰী মোদীয়ে সৰ্বাত্মক আৰু ভৱিষ্যমুখী পৰিকল্পনাৰ বাবে প্ৰধানমন্ত্ৰী গতি শক্তি আৰু অন্য সংহত মঞ্চসমূহৰ দৰে মাধ্যমসমূহ শক্তিশালী কৰি তোলাত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে সকলো পক্ষকে সংশ্লিষ্ট তথ্য ভাণ্ডাৰসমূহ নিয়মীয়াভাৱে আপডেট কৰিবলৈ আহ্বান জনায়, কিয়নো সঠিক সিদ্ধান্ত গ্ৰহণ আৰু ফলপ্ৰসূ পৰিকল্পনাৰ বাবে নিৰ্ভৰযোগ্য আৰু শেহতীয়া তথ্য অতিকে জৰুৰী।

০০০০০০০

ভাৰতে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত পাকিস্তানী বিমান পৰিবহণ কোম্পানীৰ বাবে নিজৰ আকাশমাৰ্গ বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সিদ্ধান্ত ২৩ মে'লৈ প্ৰযোজ্য হ'ব। অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে কৈছে যে সামৰিক বিমানসহ পাকিস্তানত পঞ্জীভুক্ত তথা দেশখনৰ পৰা পৰিচালিত বা লিজ ভিত্তিত পৰিচালিত বিমানৰ বাবে ভাৰতৰ আকাশমাৰ্গ উপলব্ধ নহ'ব। এই সন্দৰ্ভত জাননী জাৰি কৰা হৈছে।

০০০০০০০০০

মুম্বাইৰ জিঅ' বিশ্ব অভিৰ্বতন কেন্দ্ৰত আজি প্ৰথম বিশ্ব দৃশ্য-শ্ৰাব্য মনোৰঞ্জন সন্মিলন অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীয়ে ৪ দিনীয়াকৈ আয়োজিত এই সন্মিলন মুকলি কৰিব। সৃষ্টিশীলতাক গতি প্ৰদান কৰা তথা প্ৰযুক্তি আৰু প্ৰতিভাৰ দ্বাৰা উন্নত ভৱিষ্যত গঢ় দিয়াৰ বাবে চিনেমা, অটিটি, গেমিং, ডিজিটেল মিডিয়া, কৃত্ৰিম বুদ্ধিমত্তা, সম্প্ৰচাৰণ আৰু নতুন প্ৰযুক্তিক একত্ৰিত কৰি ভাৰতৰ সংবাদ মাধ্যম আৰু মনোৰঞ্জন উদ্যোগক বিশ্ব দৰবাৰত প্ৰতিস্থিত কৰাৰ বাবে এই সন্মিলনৰ জৰিয়তে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে চেন্নাই ছুপাৰ কিংছক ৪ উইকেটত পৰাস্ত কৰে। খেলখনত চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৯ অ'ভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৯০ ৰান সংগ্ৰহ কৰে। চেন্নাইৰ হৈ চেম কুৰেনে ৪৭ টা বলত সৰ্বাধিক ৮৮ ৰান কৰে। ডিৱাল্ড ব্ৰেভিছে ২৬ টা বলত ৩২ ৰানৰ বৰঙণি আগবঢ়ায়। পাঞ্জাব কিংছৰ হৈ যুজবেন্দ্ৰ চহলে ৪টা উইকেট দখল কৰে। অৰ্শদীপ সিং আৰু মাৰ্ক জেনচেনে দুটাকৈ উইকেট লাভ কৰে। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে ১৯১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি দুটা বল খেলিবলৈ বাকী থকা অৱস্থাত ছটা উইকেট হেৰুৱাই ১৯৪ ৰান সংগ্ৰহ কৰে। পাঞ্জাবৰ হৈ অধিনায়ক শ্ৰেয়াস আয়াৰে ৪১ টা বলত ৭২ ৰান কৰে। অ'পেনাৰ প্ৰভচিমৰন সিঙেও অৰ্ধ শতক অৰ্জন কৰে। শ্ৰেয়াস আয়াৰক প্লেয়াৰ অব্ দা মেচ হিচাপে ঘোষণা কৰা হয়। প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ান্‌ছ ৰাজস্থান ৰয়েল্‌ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০০০

ওমানৰ মধ্যস্থতাত ইৰান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত ৰোমত অহা শনিবাৰে চতুৰ্থলানি পাৰমাণৱিক আলোচনা অনুষ্ঠিত হ'ব বুলি ইৰানৰ বিদেশ মন্ত্ৰী চৈয়দ আববাছ অৰাগ্‌চিয়ে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কালি তেহেৰানত অনুষ্ঠিত কেবিনেট বৈঠকৰ আপাহতে এই কথা সদৰি কৰে। শ্ৰী অৰাগ্‌চিয়ে সংবাদ মাধ্যমৰ আগত কয়, যে আলোচনাৰ পৰৱৰ্তী পৰ্যায়ত যুটীয়া সৰ্বাত্মক কাৰ্য পৰিকল্পনা পুনৰ উজ্জীৱিত কৰা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিবন্ধকতা প্ৰত্যাহাৰ কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰা হ'ব। ৰোমত হ'বলগীয়া বৈঠকৰ পূৰ্বে ইৰান আৰু ২০১৫ চনৰ পাৰমাণৱিক চুক্তিত হস্তাক্ষৰ কৰা তিনিখন ইউৰোপীয় দেশৰ মাজত পৰামৰ্শ বৈঠক অনুষ্ঠিত হ'ব। আমেৰিকা আৰু ইৰানৰ মাজত পৰোক্ষ পাৰমাণৱিক আলোচনাৰ প্ৰথম আৰু তৃতীয় পৰ্যায় ক্ৰমে – ১২ আৰু ২৬ এপ্ৰিলত ওমানৰ ৰাজধানী মাস্কোটত অনুষ্ঠিত হৈছিল। দ্বিতীয় পৰ্যায়ৰ আলোচনা ১৯ এপ্ৰিলত ৰোমত সম্পন্ন হৈছিল। ০০০০০০০০০

**সমাপ্ত**